**প্ৰধানমন্ত্ৰী শ্ৰী নৰেন্দ্ৰ মোদীয়ে ইৰাণৰ ৰাষ্ট্ৰপতিৰ সৈতে বাৰ্তালাপ কৰে**

মাৰ্চ 12, 2026

প্ৰধানমন্ত্ৰী শ্ৰী নৰেন্দ্ৰ মোদীয়ে আজি ইৰাণ ইছলামিক গণৰাজ্যৰ ৰাষ্ট্ৰপতি মহামান্য ডং মাছুদ পেজেশ্বিকয়ানৰ সৈতে টেলিফোনযোগে বাৰ্তালাপ কৰে।

2. ৰাষ্ট্ৰপতি পেজেশ্বিকয়ানে প্ৰধানমন্ত্ৰীক ইৰাণৰ বৰ্তমানৰ পৰিস্থিতিৰ বিষয়ে অৱগত কৰে আৰু অঞ্চলটোৰ শেহতীয়া পৰিঘটনাৱলীৰ সন্দৰ্ভত নিজৰ দৃষ্টিভংগী ব্যক্ত কৰে।

3. প্ৰধানমন্ত্ৰীয়ে অঞ্চলটোৰ বৰ্তমানৰ নিৰাপত্তা পৰিস্থিতিক লৈ গভীৰ উদ্বেগ প্ৰকাশ কৰে আৰু ভাৰতৰ পূৰ্বৰ অটল স্থিতিক পুনৰ দোহাৰে যে সকলো সমস্যা আলোচনা আৰু কূটনীতিৰ জৰিয়তে সমাধান কৰিব লাগে।

4. প্ৰধানমন্ত্ৰীয়ে ইৰাণকে ধৰি সমগ্ৰ অঞ্চলটোত থকা ভাৰতীয় নাগৰিকসকলৰ সুৰক্ষা আৰু কল্যাণৰ লগতে শক্তি আৰু সামগ্ৰীৰ নিৰৱচ্ছিন্ন পৰিবহণৰ গুৰুত্বৰ ওপৰত আলোকপাত কৰে।

5. দুয়োগৰাকী নেতাই ভৱিষ্যতেও যোগাযোগ অব্যাহত ৰাখিবলৈ সন্মত হয়।

**নতুন দিল্লী**

**মাৰ্চ 12, 2026**